3 (Sem–4/CBCS) ASM HC 3

**2024**

ASSAMESE

( Honours Core )

Paper : ASM–HC–4036

**( Asomiya Gadyya Sahitya )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) ৰুক্মিণীয়ে কৃষ্ণলৈ লিখা পত্ৰখনত বিবাহৰ আগদিনা ৰুক্মিণী কোন মঠলৈ যাব বুলি উল্লেখ কৰিছিল?

(খ) 'নন্দ-যশোদাৰ কলহ' পাঠটিত থকা 'কলহ' শব্দৰ অৰ্থ কি?

(গ) দেৱতা আৰু দৈত্যসকলে সাগৰ মথোঁতে কিমান সংখ্যাৰ বায়ু উৎপত্তি হৈছিল?

(ঘ) অৰ্জুনে বজোৱা শঙ্খটোৰ নাম কি?

(ঙ) গোপালচৰণ দ্বিজে লিখা 'গুৰুসেৱা মাহাত্ম্য' পাঠটো কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে?

(চ) 'কথা গুৰুচৰিত' গ্ৰন্থখন কোনে সম্পাদনা কৰি উলিয়াইছিল ?

(ছ) ৰামসিংহই বৰফুকনৰ ওচৰলৈ পঠোৱা কটকীজনৰ নাম কি আছিল ?

(জ) আহোমসকলৰ ৰাজত্বকালত অসমীয়া ভাষাত লিখা এখন ব্যৱহাৰিক জ্ঞানৰ পুথিৰ নাম লিখা ।

(ঝ) চামধৰা গড়ৰ ৰণজয়ৰ শিলৰ ফলিত কোনজন আহোম ৰজাৰ ৰণৰ জয়ৰ কথা উল্লেখ কৰা হৈছে ?

(ঞ) বদনচন্দ্ৰ বৰফুকনলৈ লিখা পত্ৰত স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহই কাৰ পৰা প্ৰাণ ৰক্ষাৰ উপায় নেদেখা বুলি উল্লেখ কৰিছিল ?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) ঝুমুৰাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা ।

(খ) শংকৰদেৱ আৰু মাধৱদেৱৰ মাজত কি বিষয় লৈ, কিমান সময় ধৰি তৰ্ক চলিছিল ?

(গ) সুকুমাৰ বৰকাথে উল্লেখ কৰা তিনিবিধ হাতীৰ ভিতৰত যি কোনো দুবিধ হাতীৰ নাম লিখা ।

(ঘ) 'ৰামৰ বন গমন' পাঠটিৰ কথাখিনি কোনে, কাক কৈছিল ?

(ঙ) ভট্টদেৱৰ সম্পূৰ্ণ নাম কি ? তেওঁ কাৰ ওচৰত শৰণ লৈছিল ?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) মন্ত্ৰপুথিৰ বিষয়ে এটি টোকা লিখা।

(খ) দুবিধ হাতীৰ লক্ষণৰ বিষয়ে এটি টোকা লিখা।

(গ) শংকৰোত্তৰ যুগত লিখা অসমীয়া ব্যৱহাৰিক সাহিত্যৰ বিষয়ে এটি চমু আলোচনা কৰা।

(ঘ) চন্দ্ৰকান্ত সিংহই বদনচন্দ্ৰ বৰফুকনলৈ লিখা চিঠিখনৰ মূল কথাখিনি তোমাৰ ভাষাত চমুৱাই লিখা।

(ঙ) ভট্টদেৱৰ 'কথা-গীতা'ৰ গদ্যৰীতিৰ বিষয়ে লিখা।

(চ) চৰিত পুথিৰ বিষয়ে চমুকৈ লিখা।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) তোমাৰ পাঠ্যৰ আধাৰত শংকৰদেৱ আৰু মাধৱদেৱৰ গদ্যৰীতিৰ এটি আলোচনা আগবঢ়োৱা।

(খ) 'অৰ্জুনৰ বিষাদ-যোগ' পাঠটিত পোৱা মতে অৰ্জুনে কি কি কাৰণত যুদ্ধ নকৰে বুলি কৈছিল আৰু কৃষ্ণই অৰ্জুনক কেনেদৰে বুজনি দিছিল, বহলাই লিখা।

(গ) তোমাৰ পাঠ্যক্ৰমৰ পৰিসীমাৰ মাজত অসমীয়া গদ্য-সাহিত্যৰ বিষয়ে এটি পৰ্যালোচনা আগবঢ়োৱা।

(ঘ) 'গুৰুসেৱা মাহাত্ম্য'পাঠটিৰ কথাখিনি তোমাৰ ভাষাত লিখা।

(ঙ) 'ৰামৰ বন গমন' পাঠটিৰ আধাৰত ৰাম আৰু লক্ষ্মণ চৰিত্ৰ দুটিৰ এটি তুলনামূলক আলোচনা আগবঢ়োৱা।

(Turn Over)

(চ) 'গুৰু শিষ্যৰ মণিকাঞ্চন সংযোগ' পাঠটিত ফুটি উঠা মাধৱদেৱৰ চাৰিত্ৰিক বৈশিষ্ট্যসমূহ আলোচনা কৰা।

(ছ) 'অসমৰ ৰণোদাম' পাঠটিৰ আধাৰত ৰামসিংহই অসম আক্ৰমণ কৰিবলৈ অহাৰ পিছৰ ঘটনাৱলী বৰ্ণনা কৰা।

(জ) বুৰঞ্জী পুথিৰ গদ্য সম্পৰ্কে এটি চমু নিবন্ধ যুগুত কৰা।

★★★